# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 21-SEP-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*

---

১। অন্তিম শয়নত ঢলি পৰা প্ৰাণৰ শিল্পী জুবিন গাৰ্গক আজি অনুৰাগীসকলৰ অভূতপূৰ্ব ৰূপত শ্ৰদ্ধা জ্ঞাপন।

২। শিল্পীগৰাকীক সকলো অনুৰাগীয়ে শ্ৰদ্ধাঞ্জলি জনাব পৰাকৈ আজি গোটেই নিশা আৰু কাইলৈও ষ্টেডিয়াম খোলা থাকিব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। পৰিয়ালৰ ইচ্ছা অনুসৰি জুবিন গাৰ্গৰ শেষকৃত্য সোণাপুৰতে সম্পন্ন কৰাৰ সিদ্ধান্ত।

৪। সমগ্ৰ দেশতে কাইলৈৰ পৰা কাৰ্যকৰী হ'বলগীয়া জি এছ টিৰ নতুন সংস্কাৰ সন্দৰ্ভত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জনসাধাৰণক সম্বোধন। *আৰু*

৫। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ছুপাৰ ফ'ৰ পৰ্যায়ৰ দ্বিতীয়খন খেলত ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

অন্তিম শয়নত ঢলি পৰা গীতৰ জ্যোতিষ্ক, প্ৰাণৰ শিল্পী জুবিন গাৰ্গক আজি ৰাজ্যৰ অনুৰাগীসকলে অভূতপূৰ্ব ৰূপত শ্ৰদ্ধা জ্ঞাপন কৰে।

ঃগানঃ

ৰাজ্যৰ সংগীত ক্ষেত্ৰত সুবৃহৎ ক্ষতৰ সৃষ্টি কৰি আকস্মিকভাৱে আঁতৰি যোৱা জনতাৰ শিল্পী জুবিন গাৰ্গক অন্তিম বাৰৰ বাবে আজি পুৱা প্ৰায় চাৰে ৬ বজাত অসমভূমিলৈ লৈ অহাৰ পাছত অভূতপূৰ্ব জনসমাগমে শিল্পীগৰাকীক বাসগৃহলৈ লৈ আহে। বাসগৃহত পৰিয়ালৰ সদস্যসকলে শেষ শ্ৰদ্ধা জনোৱাৰ পাছত তেওঁৰ পাৰ্থিৱ শৰীৰ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত গুণমুগ্ধসকলৰ শেষ দৰ্শনৰ বাবে ৰখা হয়। জনসাধাৰণে ধাৰাসাৰ বৰষুণকো নেওচি, ভিৰ ঠেলি হিয়াৰ আমঠু শিল্পীগৰাকীক অন্তিম শ্ৰদ্ধা জ্ঞাপন কৰিছে। শিল্পীগৰাকীক সকলো অনুৰাগীয়ে শ্ৰদ্ধাঞ্জলি জনাব পৰাকৈ আজি গোটেই নিশা আৰু কাইলৈও ষ্টেডিয়াম খোলা থাকিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। অগণন জনতাৰ এই স্বতঃস্ফুৰ্ত আন্তৰিকতাত অভিভূত জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গে সকলোকে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে শান্তি আৰু সংযমেৰে শিল্পীগৰাকীৰ শেষ যাত্ৰাৰ অংশ হ'বলৈ আহ্বান জনায়।

**বাইট (গৰিমা)**

ইপিনে, কিছু সময় পূৰ্বে মন্ত্ৰী কেশৱ মহন্ত আৰু ডাঃ ৰণোজ পেগুৱে এখন সংবাদমেলযোগে শিল্পীগৰাকীৰ শেষকৃত্যৰ স্থান সম্পৰ্কে অৱগত কৰে। মন্ত্ৰী ডাঃ পেগুৱে কয় যে জুবিন গাৰ্গৰ পিতৃৰ বয়স আৰু অসুস্থতাৰ প্ৰতি লক্ষ্য ৰাখি পৰিয়ালে গুৱাহাটীৰ আশে-পাশে শেষকৃত্যৰ স্থান হোৱাটো কামনা কৰিছে আৰু সেয়েহে সোণাপুৰতে এই কাম সম্পন্ন কৰাৰ সিদ্ধান্ত লোৱা হৈছে। যোৰহাটবাসী ৰাইজে শিল্পীগৰাকীৰ শেষকৃত্যৰ বাবে দিয়া প্ৰস্তাৱৰ প্ৰতি পৰিয়ালে কৰযোৰে কৃতজ্ঞতা জ্ঞাপন কৰা বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

বাইট (ৰণোজ পেগু)

শিল্পীগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপনৰ বাবে যোৱা অগণন অনুৰাগীৰ সুবিধা হোৱাকৈ আজি ৰাষ্ট্ৰীয় ঘাইপথেৰে বাণিজ্যিক বাহনৰ চলাচল বন্ধ ৰখা হৈছে।

উল্লেখযোগ্য যে আজি পুৱা এয়াৰ ইণ্ডিয়াৰ এখন বিমানেৰে শিল্পীগৰাকীৰ নশ্বৰদেহ গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰলৈ অনাৰ পাছত অগণন জনতাৰ হুমুনিয়াহ আৰু চকুলোৰ মাজত প্ৰায় চাৰে ৬ ঘণ্টাজোৰা যাত্ৰাৰ অন্তত শিল্পীগৰাকীৰ নশ্বৰ দেহ কাহিলিপাৰালৈ লৈ যোৱা হয়।

**গান**

ইপিনে, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই জুবিন গাৰ্গৰ মৃত্যুৰ বিষয়টোৰ বিশদ অনুসন্ধানৰ বাবে তেওঁ ছিংগাপুৰৰ উচ্চায়ুক্ত চাইমন ৱঙৰ সৈতে কথা পাতিছে বুলি জনাইছে।

০০০০০

বিৰল প্ৰতিভাসম্পন্ন শিল্পী, একাধিক প্ৰজন্মৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল মৃত্যুত সমগ্ৰ ৰাজ্যবাসী শোকত ম্ৰিয়মান হৈ আছে।

**গান**

জুবিন গাৰ্গৰ বিয়োগত আজিও দেশৰ বিভিন্ন প্ৰান্তত অনুৰাগীসকলে তেওঁক শ্ৰদ্ধা নিবেদন কৰিছে। মুম্বাইত ভালেসংখ্যক শিল্পীয়ে আজি জুবিনক গানেৰে শ্ৰদ্ধা জনায়। কলকাতাতো অসংখ্য শিল্পীয়ে তেওঁক শ্ৰদ্ধা নিবেদন কৰিছে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজিও প্ৰিয় শিল্পীগৰাকীৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হৈছে। তিনিচুকীয়া জিলাৰ মাকুমত আজি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই এটা সমদল উলিওৱা হয়। দৰং জিলা সাহিত্য সভা, মঙলদৈ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনী, মঙলদৈ মহাবিদ্যালয়কে ধৰি দৰং জিলাৰ বিভিন্ন স্থানত শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই সমূহীয়া প্ৰাৰ্থনা সভা, ৰাজহুৱা স্মৃতিচাৰণ অনুষ্ঠান আদিৰ আয়োজন কৰা হৈছে।

হোজাই জিলা ক্ৰীড়া সন্থা, স্কাউট গাইড আৰু ভালুকমাৰী ট্ৰেইনিং একাডেমীৰ সহযোগত প্ৰিয় শিল্পীগৰাকীৰ ৫২ বছৰীয়া বৰ্ণিল জীৱনৰ প্ৰতি শ্ৰদ্ধা জনাই ৫২ জোপা গছপুলি ৰোপণ কৰা হয়। এই কাৰ্যসূচীত জিলাখনৰ আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতী উপস্থিত থাকে।

কাৰ্বি আংলং জিলাৰ মহিলা সমিতিৰ উদ্যোগত আজি সন্ধিয়া বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। সকলোৱে শিল্পীগৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি সমূহীয়া প্ৰাৰ্থনা কৰাৰ লগতে তেওঁৰ মায়াবিনী শীৰ্ষক গীতটি সমস্বৰে পৰিৱেশন কৰে।

কোচবিহাৰৰ মধুপুৰ সত্ৰ আৰু উত্তৰ বংগৰ সত্ৰ আৰু নামঘৰ সমূহৰ সমন্বয়ৰক্ষী সমিতিয়ে মহান শিল্পীগৰাকীৰ আত্মাৰ সদ্‌গতি কামনা কৰি আজিৰে পৰা অহা ২৭ ছেপ্তেম্বৰলৈ সপ্তাহজোৰা ভাগৱত পাঠ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। আজি মধুপুৰ সত্ৰৰ ভাৰপ্ৰাপ্ত সত্ৰাধিকাৰ পিতাম্বৰ ভকতে এই ভাগৱত পাঠৰ শুভাৰম্ভ কৰে।

ধুবুৰী জিলাৰ বিলাসীপাৰাৰ ৰাজহুৱা খেলপথাৰত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, বিলাসীপাৰা জিলা সমিতি আৰু বিলাসীপাৰা প্ৰেছ ক্লাবৰ সহযোগত কণ্ঠশিল্পীগৰাকীৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত জিলাখনৰ নৱনিযুক্ত আৰক্ষী অধীক্ষক দেৱাশীষ বৰা, ৰাজহ চক্ৰ বিষয়াকে ধৰি বিভিন্ন দল-সংগঠনৰ নেতাসকল উপস্থিত থাকে।

০০০০০

জুবিন গাৰ্গৰ অকাল বিয়োগৰ পৰিপ্ৰেক্ষিতত অসম লোকসেৱা আয়োগে আজি আৰু কাইলৈ হ'বলগীয়া পৰীক্ষা স্থগিত ৰাখিছে। কাইলৈ হ'বলগীয়া কৃষি বিভাগৰ অধীনৰ কৃষি উন্নয়ন বিষয়া পদৰ সাক্ষাৎকাৰ প্ৰক্ৰিয়া ২৫ আৰু ২৬ ছেপ্তেম্বৰলৈ পিছুৱাই দিয়া হৈছে। শিল্পীগৰাকীৰ বিয়োগত ৰাজ্যিক শোক ঘোষণা কৰালৈ চাই সেৱা সপ্তাহ

উপলক্ষে গ্ৰন্থবৰ্ষ, ২০২৫-ৰ সৈতে সংগতি ৰাখি প্ৰদান কৰিবলগীয়া যুৱ লেখক সন্মানৰ কাৰ্যসূচী স্থগিত ৰখা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে পৰৱৰ্তী সময়ত এই অনুষ্ঠানৰ সময় নিৰ্ধাৰণ কৰা হ'ব বুলি প্ৰকাশ কৰিছে। তেওঁ লগতে আজি হ'বলগীয়া বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিক মূল্যায়ন পৰীক্ষা এফ এল এন এ টি স্থগিত ৰখাৰ কথা ঘোষণা কৰে। ৪ লাখ ৭০ হাজাৰ প্ৰাপ্তবয়স্ক শিক্ষাৰ্থীয়ে অংশ ল'বলগীয়া এই মূল্যায়ন পৰীক্ষা অহা ১২ অক্টোবৰত অনুষ্ঠিত হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। সেৱা সপ্তাহৰ অধীনত প্ৰয়োজনীয় সেৱাৰ কাৰ্যসূচী চলি থাকিব যদিও আনুষ্ঠানিক তথা অন্যান্য লাভ বিতৰণৰ অনুষ্ঠানসমূহ স্থগিত ৰখা হ'ব।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত জুবিন গাৰ্গৰ ঘনিষ্ঠৰ সোঁৱৰণৰ লগতে জুবিন গাৰ্গৰ অন্তিম শয়ন সম্পৰ্কত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটীৰ সংবাদদাতাকে ধৰি আন কেইগৰাকীমান সংবাদদাতাই এই অনুষ্ঠানত ভাগ ল'ব। অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

সমগ্ৰ দেশতে কাইলৈৰ পৰা কাৰ্যকৰী হ'বলগীয়া সামগ্ৰী আৰু সেৱা কৰ অৰ্থাৎ জি এছ টি নতুন সংস্কাৰ সন্দৰ্ভত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কিছু সময় পূৰ্বে জনসাধাৰণক সম্বোধন কৰিছে। তেওঁ কয় যে কাইলৈ নৱৰাত্ৰিৰ প্ৰথম দিনাৰ পৰাই জি এছ টি ৰেহাই কাৰ্যকৰী হ'ব। ইয়াৰ ফলত দৰিদ্ৰ, মধ্যবিত্ত, কৃষক, জ্যেষ্ঠ নাগৰিক আৰু যুৱক-যুৱতীসকল উপকৃত হ'ব বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। স্বাধীনতাৰ পৰৱৰ্তী সময়ত এয়া ভাৰতৰ সৰ্ববৃহৎ কৰ সংস্কাৰ বুলিও প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। দেশৰ জনসাধৰণে বৰ্তমানৰ প্ৰয়োজন আৰু ভৱিষ্যতৰ স্বপ্ন পূৰণ কৰিব পৰাকৈ এই সংস্কাৰ কৰা হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয় যে চিকিৎসাত ব্যৱহৃত সামগ্ৰীৰ ক্ষেত্ৰত জি এছ টি হ্ৰাসে বিভিন্ন স্তৰৰ লোকক উপকৃত কৰিব। তদুপৰি শিক্ষা ক্ষেত্ৰত জি এছ টিৰ হাৰ হ্ৰাস পোৱাৰ ফলত শিক্ষাৰ্থীসকল বিশেষভাৱে উপকৃত হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ অৰুণাচল প্ৰদেশ আৰু ত্ৰিপুৰা ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ সময়ছোৱাত তেওঁ অৰুণাচল প্ৰদেশত ৫ হাজাৰ ১০০ কোটি টকাতকৈও অধিক পৰিমানৰ পুঁজি বয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰাৰ লগতে ৩ হাজাৰ ৭০০ কোটি টকা ব্যয় সাপেক্ষ দুটা বৃহৎ জলবিদ্যুৎ প্ৰকল্প আধাৰশিলাও স্থাপন কৰিব। এই কাৰ্যসূচীৰ মাজতে প্ৰধানমন্ত্ৰীয়ে আন বিভিন্ন প্ৰকল্পৰ লগতে টাৱাঙৰ সীমান্ত জিলাত নিৰ্মাণ কৰিবলগীয়া এটা অত্যাধুনিক সন্মিলন কেন্দ্ৰৰো আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে এহেজাৰ ২৯০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও আন্তঃগাথনি প্ৰকল্প মুকলি কৰিব। এই প্ৰকল্পসমূহৰ জৰিয়তে ৰাজ্যখনৰ যোগাযোগ, স্বাস্থ্য, অগ্নি নিৰ্বাপন সেৱাকে ধৰি কেইবাটাও ক্ষেত্ৰৰ আন্তঃগাথনি উন্নত কৰাৰ লক্ষ্য লোৱা হৈছে। তেওঁ ইটানগৰত এখন ৰাজহুৱা সভাত ভাষণ দিয়াৰ লগতে ৰাজ্যখনৰ স্থানীয় কৰদাতা, ব্যৱসায়ী আৰু উদ্যোগৰ প্ৰতিনিধিসকলৰ সৈতেও মত বিনিময় কৰিব।

ত্ৰিপুৰাৰ মাতাবাৰীৰ মাতা ত্ৰিপুৰা সুন্দৰীৰ চৌহদত প্ৰধানমন্ত্ৰীয়ে ভালেমান উন্নয়নমূলক কাম-কাজৰ শুভাৰম্ভ কৰিব।

০০০০০

কাইলৈ হ'বলগীয়া বিটিচি নিৰ্বাচনৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। নিৰ্বাচন নিয়াৰিকৈ আৰু সুচাৰুৰূপে পৰিচালনাৰ বাবে জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ইতিমধ্যে প্ৰিজাইডিং আৰু পোলিং

বিষয়াসকল নিজ নিজ ভোটগ্ৰহণ কেন্দ্ৰলৈ ৰাওনা হৈছে। বাক্সা জিলাৰ ৫৭৫টা কেন্দ্ৰত কাইলৈ ভোটগ্ৰহণ কৰা হ'ব। জিলাখনৰ ছটা পৰিষদীয় সমষ্টিৰ ৪ লাখ ৭৪ হাজাৰ ১৯৭গৰাকী ভোটদাতাই ৫২গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব।

চিৰাং জিলাৰ ৭টা পৰিষদীয় সমষ্টিৰ মুঠ ৪৬৬টা ভোটগ্ৰহণ কেন্দ্ৰত কাইলৈ নিৰ্বাচন অনুষ্ঠিত হ'ব। আজি চিৰাং জিলাৰ সদৰ কাজলগাঁৱত থকা উপেন্দ্ৰ নাথ ব্ৰহ্ম মহাবিদ্যালয় আৰু বিজনী মহাবিদ্যালয়ৰ পৰা ভোটগ্ৰহণৰ বাবে নিয়োগ কৰা বিষয়াসকল নিজ নিজ কেন্দ্ৰলৈ ৰাওনা হয়। উল্লেখযোগ্য যে, এইবাৰ চিৰাং জিলাৰ ৭টা পৰিষদীয় সমষ্টিত মুঠ ৫৬ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। জিলাখনৰ ১৯২টা ভোটগ্ৰহণ কেন্দ্ৰ স্পৰ্শকাতৰ হিচাপে চিহ্নিত কৰা হৈছে। জিলাখনত নিৰ্বাচনী কাজ-কাজ সম্পন্ন কৰাৰ বাবে দুহেজাৰ ২২০ গৰাকী প'লিং, প্ৰিজাইডিং তথা অন্যান্য বিষয়া নিয়োগ কৰা হৈছে। স্পৰ্শকাতৰ কেন্দ্ৰসমূহত সূক্ষ্ম নিৰীক্ষক নিয়োগ কৰা হৈছে।

কোকৰাঝাৰ জিলাৰ ১২টা পৰিষদীয় সমষ্টিতো নিৰ্বাচনৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজত পোলিং আৰু প্ৰিজাইডিং বিষয়াসকল বেলট বাকচ আৰু অন্যান্য যাৱতীয় সামগ্ৰী লৈ নিজ নিজ ভোটকেন্দ্ৰ অভিমুখে ৰাওনা হৈছে।

00000

বিটিচি নিৰ্বাচনত কৰ্তব্য পালন কৰি থকা অৱস্থাতে আজি কাজলগাওঁত অসম আৰক্ষীৰ এজন জোৱানৰ আকস্মিকভাৱে মৃত্যু হয়। মৃত জোৱানজন অসম আৰক্ষীৰ চতুৰ্থ বেটেলিয়নৰ হাবিলদাৰ ৫৫ বছৰীয়া গোপিকা চক্ৰৱৰ্তী বুলি আমাৰ সংবাদদাতাই জনাইছে। বিটিচি নিৰ্বাচনৰ বাবে চিৰাং জিলাৰ কাজলগাওঁলৈ আহি কালি নিশা তেওঁ অসুস্থ হৈ পৰিছিল। আজি দুপৰীয়া কৰ্তব্যৰ বাবে ওলাই অহাৰ সময়তে তেওঁ পুনৰ অসুস্থ হৈ পৰাত কাজলগাওঁৰ জে এছ বি অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসাধীন অৱস্থাতে জোৱানজনৰ মৃত্যু হয়।

00000

আজি মহালয়া। মহালয়াৰ পৱিত্ৰ ক্ষণত দেৱী দুৰ্গাৰ ধৰালৈ আগমন ঘটে বুলি বিশ্বাস কৰা হয়। ইয়াৰ লগে লগেই পিতৃ পক্ষৰ সমাপ্তি ঘটি দেৱী পক্ষৰ সূচনা হয়। কাইলৈ নৱৰাত্ৰিৰ প্ৰথম দিনটোত দেৱীক শৈল্যপুত্ৰীৰ ৰূপত পূজা দি শাৰদীয় দুৰ্গা পূজাৰ আধ্যাত্মিক পৰ্বসমূহো আৰম্ভ হ'ব। এইবাৰ দেৱীয়ে হস্তীত আগমন কৰিব আৰু ঘোঁৰাৰে গমন কৰিব। মহালয়া উপলক্ষে পিতৃ পুৰুষৰ শ্ৰাদ্ধ পাৰ্বন আদি কৰা হয়। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ নৈ, জান-জুৰি ঘাটত পূৰ্বপুৰুষৰ আত্মাৰ সদগতিৰ বাবে ভক্তসকলে মহালয়াৰ পৱিত্ৰ ক্ষণত শ্ৰাদ্ধ আগবঢ়ায়। উল্লেখযোগ্য যে প্ৰতিবছৰে উজনি অসমৰ যোৰহাটকে ধৰি ৰাজ্যৰ বিভিন্ন স্থানত মহালয়া উপলক্ষে পুৱাতে সমদল উলিওৱা হয় যদিও এইবাৰ জনতাৰ শিল্পী জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ পৰিপ্ৰেক্ষিতত সকলো স্থবিৰ হৈ পৰে। যোৰহাট, শিৱসাগৰকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শাৰদীয় দুৰ্গা পূজা সমিতিসমূহে মহালয়াৰ প্ৰভাতফেৰী আৰু শোভাযাত্ৰা বাতিল কৰে। প্ৰতি শৰতৰ প্ৰভাতক গীতেৰে সম্ভাষণ জনোৱা জনগণৰ আপোন শিল্পীগৰাকীৰ বিয়োগে এইবাৰ শাৰদীয় পূজাৰ পৰিবেশো ম্লান কৰি তুলিছে।

00000

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি হ'বলগীয়া ছুপাৰ ফ'ৰ পৰ্যায়ৰ দ্বিতীয়খন খেলত ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

কালি নিশা ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ৰ প্ৰথমখন খেলত বাংলাদেশে শ্ৰীলংকাক ৪ উইকেটত পৰাস্ত কৰে।

00000

সমাপ্ত